জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা
নংঃ ৮০৫/২০২০

# দক্ষিণ-পশ্চিম গুৱাহাটী পানী যোগান প্ৰকল্পৰ শুভ উদ্বোধন কৰিলে মুখ্যমন্ত্ৰীয়ে

## গুৱাহাটীক আদৰ্শ মহানগৰ হিচাপে গঢ় দিব লাগিব ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ৩০ নৱেম্বৰ ঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি জালুকবাৰীৰ সদিলাপুৰত গুৱাহাটী মহানগৰ উন্নয়ন কৰ্তৃপক্ষৰ (জি এম ডি এ) ৰ দ্বাৰা ৰূপায়িত জে এন এন ইউ আৰ এম-ৰ অৰ্থ সাহায্যৰে নিৰ্মিত অভিলাষী দক্ষিণ-পশ্চিম গুৱাহাটী পানী যোগান প্ৰকল্পৰ অন্তৰ্গত কামাখ্যা বিতৰণ ক্ষেত্ৰৰ অধীনস্থ চাৰিটা জিলা মিটাৰিং অঞ্চলত (ডি এম এ) প্ৰথম পৰ্যায়ৰ কাৰ্যকৰীকৰণৰ শুভ উদ্বোধন কৰে।

উল্লেখ্য যে প্ৰথম পৰ্যায়ত কাৰ্যকৰীকৰণৰ জৰিয়তে এই প্ৰকল্পৰ অন্তৰ্গত কামাখ্যা বিতৰণ ক্ষেত্ৰৰ অধীনস্থ ১,২,৩ আৰু ৪ নং জিলা মিটাৰিং অঞ্চল (ডি এম এ) - যথাক্ৰমে ভূতনাথৰ পৰা মালিগাঁও চাৰিআলিলৈ এ টি ৰোডৰ সোঁফালৰ অঞ্চলসমূহ, কালীপুৰ, মালিগাঁও চাৰিআলি, কামাখ্যা কলনি সমগ্ৰ পাণ্ডু অঞ্চল, বৰিপাৰা, কামাখ্যা নগৰ, পাণ্ডুৰ নগৰ, আনন্দ নগৰ, শংকৰ নগৰ, জয়মতী নগৰ, সমগ্ৰ আদাবাৰী ইত্যাদি অঞ্চলত প্ৰতিদিনে ২৪ ঘণ্টাই নিৰৱচ্ছিন্নভাৱে খোৱাপানী উপলব্ধ হ'ব। এই প্ৰকল্প ৰূপায়ণত ৪০৭.৫২ কোটি টকা ব্যয় কৰা হৈছে।

এই উপলক্ষে আয়োজিত সভাত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে কয় যে বহু দিনীয়া অপেক্ষাৰ অন্তত আজি গুৱাহাটী মহানগৰীত পানী যোগানৰ গুৰুত্বপূৰ্ণ আঁচনিখন শুভাৰম্ভ হ'ল। গুৱাহাটী মহানগৰীক উত্তৰ-পূৰ্বাঞ্চলৰে নহয়, দক্ষিণ-পূৱ এছিয়াৰ দুৱাৰমুখ হিচাপে গঢ়ি তোলাৰ বাবে ৰাজ্য চৰকাৰে লক্ষ্য স্থিৰ কৰিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰথম পৰ্যায়ত স্মাৰ্ট চিটি হিচাপে গুৱাহাটীক অন্তৰ্ভুক্ত কৰিছে। গুৱাহাটীয়ে নিজৰ পৰিচয় দাঙি ধৰি ইয়াৰ সৌন্দৰ্যবৰ্দ্ধন কৰি পৰ্যটকক আকৰ্ষিত কৰিব লাগিব। তেওঁ কয় যে মহানগৰীৰ বাসিন্দাৰ বাবে সুবিধা প্ৰদান কৰাতো চৰকাৰৰ দায়িত্ব। মহানগৰবাসীৰ বাবে গুৰুত্বপূৰ্ণ বিষয় হৈছে বিশুদ্ধ খোৱা পানী। বিশুদ্ধ খোৱাপানী যোগানৰ জৰিয়তে সুস্বাস্থ্যৰ অধিকাৰী কৰি তুলিব লাগিব। মুখ্যমন্ত্ৰীয়ে কয় যে যাতায়ত-যোগাযোগৰ উপৰি ৰোপ ৱেৰ ব্যৱস্থা কৰা হৈছে যাতে দেশ বিদেশৰ পৰ্যটকসকলক আকৰ্ষিত কৰিব পৰা যায়। আমি গুৱাহাটী মহানগৰীক এখন আদৰ্শ মহানগৰী হিচাপে গঢ় দিব লাগিব। ৰাজ্যখনত আজি বিনিয়োগৰ প্ৰতি বিনিয়োগকাৰী সকল আগ্ৰহী হৈ পৰিছে বুলিও তেওঁ কয়।

গেমন ইণ্ডিয়া লিমিটেডৰ বিষয়াসকলক বিশুদ্ধ আৰু সুনিশ্চিত পানী যোগান অব্যাহত ৰাখিবলৈ আহ্বান জনায় মুখ্যমন্ত্ৰীয়ে কয় যে তেতিয়াহে জনসাধাৰণৰ আস্থা আৰু বিশ্বাস বৃদ্ধি পাব। ইয়াৰ বাবে নিষ্ঠা আৰু সেৱাৰ মানসিকতাৰে কাম কৰিব লাগিব বুলিও তেওঁ কয়। গুৱাহাটী মহানগৰীক এতিয়া পৃথিৱীয়ে

# জনসংযোগ, অসম
# মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
# প্ৰেছ বাৰ্তা

চিনি পায়। আমি পৰ্যটকসকলক সা-সুবিধা দিব পাৰিলে মহানগৰীৰ সুনাম বৃদ্ধি হ'ব। গুৱাহাটী মহানগৰী প্ৰকৃতিয়ে গঢ় দিয়া এখন চহৰ। প্ৰকৃতিৰ সৌন্দৰ্য যাতে বিনষ্ট নহয় তাৰ বাবে প্ৰতিগৰাকী বাসিন্দাই মহানগৰখনক নিজৰ ঘৰ হিচাপে গণ্য কৰি ইয়াক সজাই তোলাৰ বাবে নিষ্ঠাৰে উদ্যোগ ল'ব লাগিব। নতুন প্ৰজন্মই যাতে গুৱাহাটী মহানগৰীক লৈ আশা দেখুৱাব পাৰে তাৰ বাবে আমি কাম কৰিব লাগিব। মহাবাহু ব্ৰহ্মপুত্ৰ আৰু সেউজীয়া পাহাৰবোৰে আমাক সুবৰ্ণ সুযোগ দিছে। ইয়াক সযত্নৰে সংৰক্ষণ কৰা, জৈৱ বৈচিত্ৰ অক্ষুন্ন ৰখাৰ বাবে মহানগৰবাসীয়ে দায়িত্ব ল'ব লাগিব। গুৱাহাটী মহানগৰীক পৰিষ্কাৰ-পৰিচ্ছন্ন কৰি ৰখাৰ বাবে নাগৰিকসকলে সামাজিক দায়িবদ্ধতাৰে নিজৰ দায়িত্ব পালন কৰিব লাগিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

মুখ্যমন্ত্ৰীয়ে কয় যে গুৱাহাটী মহানগৰীৰ সম্প্ৰসাৰণৰ বাবে ষ্টেট কেপিটেল ৰিজনৰ জৰিয়তে পদক্ষেপ গ্ৰহণ কৰা হৈছে। গুৱাহাটীক আধুনিক মহানগৰ ৰূপে গঢ় দিব লাগিব। টকিঅ' মহানগৰীবাসীৰ দৰে গুৱাহাটীবাসীৰ মাজত শক্তিশালী সামাজিক চেতনা গঢ় দিব লাগিব। মহানগৰীৰ আন্তঃগাঁথনি আৰু অধিক শক্তিশালী কৰিব লাগিব। এই ক্ষেত্ৰত নাগৰিকসকলে সহযোগিতা আগবঢ়াব লাগিব। পানী যোগান আঁচনিখন যাতে সকলো সময়তে সুগম হৈ থাকে তাৰ বাবে নাগৰিকসকলেও সহযোগিতা আগবঢ়াব লাগিব বুলি তেওঁ কয়। পাৰদৰ্শিতাৰ ওপৰত স্মাৰ্টনেছ নিৰ্ভৰ কৰে বুলি উল্লেখ কৰি গুৱাহাটী মহানগৰখনক পৰিষ্কাৰ-পৰিচ্ছন্ন কৈ ৰখাৰ বাবে মহানগৰবাসীক আহ্বান জনায়।

সভাত ভাষণ প্ৰদান কৰি গুৱাহাটী উন্নয়ন বিভাগৰ মন্ত্ৰী সিদ্ধাৰ্থ ভট্টাচাৰ্যই প্ৰকল্পটো সফলতাৰে ৰূপায়ণ কৰা বাবে জি এম ডি এৰ বিষয়াসকলক আৰু গেমন ইণ্ডিয়াৰ অভিযন্তাসকলক ধন্যবাদ জ্ঞাপন কৰে। তেওঁ লগতে কয় যে এই প্ৰকল্পটো সম্পূৰ্ণভাৱে কাৰ্যকৰীকৰণ হৈ উঠিলে প্ৰতিদিনে ১০ কোটি লিটাৰ পানী যোগান ধৰাটো সম্ভৱ হৈ উঠিব।

আজিৰ এই সভাত সাংসদ কুইন ওজা, জি এম ডি এৰ অধ্যক্ষ অশোক সিংহাল, পশ্চিম গুৱাহাটী সমষ্টিৰ বিধায়ক ৰমেন্দ্ৰ নাৰায়ন কলিতা, অতিৰিক্ত মুখ্য সচিব মণিগুৰ সিঙেও ভাষণ প্ৰদান কৰে।

**স্বাঃডেঃ / পুঃডেঃ**
**৩০/১১/২০২০**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in